**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-05-2025
**Time :** 1715 HRS

***Assamese Evening Bulletin***
***- - - - - - - - - - - - - -***

ooooo

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ত কাইলৈ ১৩ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিমধ্যে ভোটগ্ৰহণ হ'বলগীয়া জিলাকেইখনলৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল ৰাওনা হৈছে। নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

**কামৰূপ** মহানগৰ জিলাৰ জালুকবাৰী সমজিলা আৰু ডিমৰীয়া সম জিলাৰ পৰা বেলট কাকত, বেলট বাকচকে ধৰি ভোটগ্ৰহণৰ যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি বিষয়া-কৰ্মচাৰীসকল নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। জিলাখনৰ ছখন জিলা পৰিষদ, তিনিখন আঞ্চলিক পঞ্চায়ত আৰু ২০ খন গাঁও পঞ্চায়তৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে গুৱাহাটী মহানগৰীত কৰ্মসূত্ৰে থকা লোকসকল ইতিমধ্যে নিজ নিজ জিলালৈ ৰাওনা হৈছে।

**ধুবুৰী** জিলাত এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি ধুবুৰী ভোলানাথ মহাবিদ্যালয়, গোলকগঞ্জ সমজিলাৰ কাৰ্যালয় আৰু বিলাসীপাৰা সমজিলাৰ কাৰ্যালয়ত বেলট কাগজ বিতৰণ কৰা হয়।

**হাটশিঙিমাৰী** জিলা প্ৰশাসনৰ উদ্যোগত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিয়োজিত এহেজাৰ ৬২৪ গৰাকী প'লিং আৰু প্ৰিজাইডিং বিষয়া নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। মানকাচৰৰ বাংলাদেশ সীমান্তৱৰ্তী চৰ এলেকাত থকা ৫টা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ যন্ত্ৰচালিত নাৱেৰে বিষয়াসকলে যাত্ৰা কৰে। ইপিনে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি বছৰ বছৰ ধৰি মানকাচৰৰ অসম-মেঘালয় সীমান্তত বসবাস কৰা ভোটদাতাসকলেও আজিয়েই ভোটদানৰ বাবে চৰ অঞ্চললৈ ৰাওনা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

**পাঠশালাৰ** বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ পৰা যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলে নিৰাপত্তাৰক্ষীসহ আজি বজালী জিলাৰ বিভিন্ন ভোটকেন্দ্ৰলৈ যাত্ৰা কৰে। জিলাখনত ৬৯০ গৰাকী সদস্যই গাঁও পঞ্চায়তত, ৫৬ গৰাকীয়ে আঞ্চলিক পঞ্চায়ত আৰু ১৫ গৰাকীয়ে জিলা পৰিষদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

**গোৱালপাৰা** জিলাত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৪ হাজাৰ ৫০০ বিষয়া নিয়োগ কৰা হৈছে।

**হোজাই** জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত নিৰ্বাচনী কাম-কাজ পৰ্যবেক্ষণ কৰি প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

**বৰপেটা** জিলাতো নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ চৰ অঞ্চলত থকা ১২৯টা কেন্দ্ৰলৈ কালিয়েই নিৰ্বাচনী বিষয়াৰ দল ৰাওনা হয়।

নগাঁও, মৰিগাঁও আৰু দৰং জিলাতো কাইলৈ হ'বলগীয়া নিৰ্বাচনক লৈ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে ১৩ খন জিলাত মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০০

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তিৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি ৰাজ্যৰ অসামৰিক সেৱা বিষয়া মাছুম ইউচুফ আহমেদ আৰু ভূমি ৰাজহ সেৱা বিষয়া তনবীৰ ইউচুফ আহমেদৰ জামিন নাকচ কৰে। মুখ্যমন্ত্ৰী তদাৰকী কোষত ৰুজু হোৱা গোচৰৰ ভিত্তিত অভিযুক্ত বিষয়া দুজনে জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। কিন্তু সমগ্ৰ বিষয়টোক লৈ শুনানি গ্ৰহণৰ অন্তত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ এজনীয়া বিচাৰপীঠে তেওঁলোকৰ জামিন নাকচ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী তদাৰকী কোষে বিষয়া দুজনক গ্ৰেপ্তাৰ কৰে।

০০০০০

দেশৰ বিভিন্ন অংশত কাইলৈ হ'বলগীয়া মকড্ৰিল অৰ্থাৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৯ বাজি ১৫ মিনিটত ইংৰাজী ভাষাত এটা বিশেষ স্পটলাইট প্ৰচাৰ কৰিব। অসামৰিক প্ৰতিৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় এই অনুশীলনৰ বিষয়ে বিশেষজ্ঞৰ মতামত প্ৰচাৰ কৰা হ'ব। এই বিশেষ স্পটলাইট অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু আৰু প্ৰাগজ্যোতিষপুৰ দুয়োটা শাখাতে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান প্ৰচাৰৰ বাবে আজি নিশা ৯ বাজি ২৫ মিনিটত প্ৰচাৰ হ'বলগীয়া নিশাৰ আঞ্চলিক বাতৰি ৯ বাজি ৩০ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই এই স্পটলাইটৰ অসমীয়া ভাষান্তৰ কাইলৈ পুৱা ৯ বাজি ৩০ মিনিটত প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব।

০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশা পৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফলাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০

সমাপ্ত